# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI

0000000000

**Date :** 09-10-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

000000000

১। কেন্দ্ৰীয় চৰকাৰে তেজ আৰু পুষ্টিকৰ উপাদানৰ অভাৱ দূৰ কৰাৰ উদ্দেশ্যে ভিটামিন আদি সংযোগ কৰি পুষ্টিদায়ক কৰি তোলা পোষিত চাউলৰ যোগানৰ প্ৰস্তাৱত অনুমোদন জনাইছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে মহাৰাষ্ট্ৰত ৭ হাজাৰ ৬০০ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ ভালেমান উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে অহা দেওবাৰে ৭ দিনীয়া ভ্ৰমণসূচীৰে আলজেৰিয়া, মৰিটেনিয়া আৰু মালৱিলৈ যাব।

৪। প্ৰটিনৰ গাথনিৰ পুৰ্বাণুমান আৰু বিকাশৰ ক্ষেত্ৰত লাভ কৰা উল্লেখযোগ্য সাফল্যৰ বাবে ডেভিদ বেকাৰ, দেমিজ হাচাবীজ আৰু জন জাম্পাৰলৈ ২০২৪ বৰ্ষৰ ৰসায়ন বিজ্ঞানৰ নবেল বঁটা আগবঢ়োৱা হৈছে। ***আৰু***

৫। ভাৰতীয় মহিলা দলে কাজাখস্তানত অনুষ্ঠিত এছিয়ান টেবল টেনিচ প্ৰতিযোগিতাত ব্ৰঞ্জৰ পদক লাভ কৰি নতুন ইতিহাস ৰচনা কৰিছে।

000

কেন্দ্ৰীয় চৰকাৰে তেজ আৰু পুষ্টিকৰ উপাদানৰ অভাৱ দূৰ কৰাৰ উদ্দেশ্যে ভিটামিন আদি সংযোগ কৰি পুষ্টিদায়ক কৰি তোলা পোষিত চাউলৰ যোগানৰ প্ৰস্তাৱত অনুমোদন জনাইছে। নতুন দিল্লীত আজি সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ এই সিদ্ধান্তক সৰ্বাত্মক বিকাশ আৰু পুষ্টি সুৰক্ষা সুনিশ্চিতকৰণৰ এটা পদক্ষেপ বুলি উল্লেখ কৰে। তেওঁ কয় যে এই যোজনাৰ বাবদ ১৭ হাজাৰ কোটিৰো অধিক টকা ব্যয় হ'ব।

বিকাশ ভি বিৰাছট ভি উদ্যম সন্দৰ্ভত মত প্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, ভাৰতৰ চহকী সামুদ্ৰিক ঐতিহ্য আছে আৰু এই ঐতিহ্য সুৰক্ষিত কৰাৰ আৱশ্যকতা আছে। তেওঁ কয় যে, চৰকাৰে গুজৰাটৰ লোথলত ৰাষ্ট্ৰীয় সামুদ্ৰিক ঐতিহ্য পৰিসৰ নিৰ্মাণ কৰাৰ প্ৰস্তাৱত অনুমোদন দিছে। এই চৌহদৰ জৰিয়তে দেশৰ ৪ হাজাৰ ৫শ বছৰ পুৰণি চহকী সামুদ্ৰিক ঐতিহ্য প্ৰদৰ্শন কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

শ্ৰীবৈষ্ণৱে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সীমান্তৱৰ্তী এলেকাসমূহৰ আন্তগাঠনিৰ উন্নয়নত গুৰুত্ব আৰোপ কৰি আহিছে। এই উদ্দেশ্যে চৰকাৰে ৰাজস্থান আৰু পাঞ্জাৱৰ সীমান্তৱৰ্তী এলেকাত দুহেজাৰ ২৮০ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথ নিৰ্মাণ কৰাৰ প্ৰস্তাৱত অনুমোদন জনোৱা বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে ৪ হেজাৰ ৪০০ কোটি টকা ব্যয়েৰে এই প্ৰকল্পসমূহ ৰূপায়ণ কৰা হ'ব। শ্ৰীবৈষ্ণৱে কয় যে, এই সিদ্ধান্তই পথ আৰু দূৰ সংযোগ

ব্যৱস্থাৰ  ওপৰত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাব আৰু পানীযোগান, স্বাস্থ্য আৰু শিক্ষাৰ সুবিধা সৰল কৰি তোলাত সহায় কৰিব। তেওঁ লগতে কয় যে, ইয়াৰ ফলত ৰাজ্য দুখনৰ গ্ৰামাঞ্চলত জীৱিকাৰ সুবিধা সৃষ্টি  হ'ব আৰু ঘাইপথৰ জৰিয়তে দেশৰ বাকী অংশৰ সৈতে এই এলেকাসমূহৰ যোগাযোগ সুনিশ্চিত হ'ব।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে মহাৰাষ্ট্ৰত ৭ হাজাৰ ৬০০ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ ভালেমান উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে শ্ৰীমোদীয়ে কয় যে, মহাৰাষ্ট্ৰত বিগত কেইটামান বছৰত গুৰুত্বপূৰ্ণ ক্ষেত্ৰৰ ভালেমান উন্নয়নমূলক প্ৰকল্পৰ শুভাৰম্ভ আৰু সম্পূৰ্ণ কৰা হৈছে। তেঁও কয় যে,  মহাৰাষ্ট্ৰৰ পূৰ্বতে কেতিয়াও ইমান ক্ষীপ্ৰ উন্নয়ন হোৱা নাছিল। কেন্দ্ৰীয় চৰকাৰে মাৰাঠী ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যদা প্ৰদান কৰি মাৰাঠী জনসাধাৰণৰ দীৰ্ঘদিনীয়া দাবী পূৰণ কৰিছে বুলি প্ৰধানমন্ত্ৰয়ে প্ৰকাশ কৰে।

০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে অহা দেওবাৰে ৭ দিনীয়া ভ্ৰমণসূচীৰে আলজেৰিয়া, মৰিটেনিয়া আৰু মালৱিলৈ যাব।  ভ্ৰমণৰ প্ৰথম পৰ্যায়ত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে আলজেৰিয়াৰ ৰাষ্ট্ৰপতি এবদেলমাদজিদ টেববওনিৰ আমন্ত্ৰণমৰ্মে ১৩ৰ পৰা ১৫ অক্টোবৰলৈ আলজেৰিয়া ভ্ৰমণ কৰিব। এই ভ্ৰমণৰ সময়ছোৱাত শ্ৰীমতী মুৰ্মুৱে আলজেৰিয়াৰ ৰাষ্ট্ৰপতিৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হব। ৰাষ্ট্ৰপতিগৰাকীয়ে ভাৰতীয় চিডি আবডেল্লাহ বিজ্ঞান আৰু প্ৰযুক্তি প'ল বিশ্ববিদ্যালয়ত ভাৰত-আলজেৰিয়া অৰ্থনৈতিক ফ'ৰামত ভাষণ দিব। ভাৰত আৰু আলজেৰিয়াই বিভিন্ন কৌশলগত ক্ষেত্ৰ তেল আৰু গেছ্, প্ৰতিৰক্ষা আৰু মহাকাশ অংশীদাৰিত্বৰ ক্ষেত্ৰত সৌহাদ্যপূৰ্ণ সম্পৰ্কত বিনিময় কৰে। এই ভ্ৰমণে দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক বুদ্ধি কৰিব বুলি আশা কৰা হৈছে।

এই ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে ১৬ অক্টোবত মৰিটেনিয়া ভ্ৰমণ কৰিব। এই ভ্ৰমণৰ কালছোৱাত ৰাষ্ট্ৰপতিয়ে মৰিটেনিয়াৰ ৰাষ্ট্ৰপতি মহম্মদ অওলড শ্বেইখ ই ঘাজৱানিৰ সৈতে আলোচনাত মিলিত হ'ব। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে ভাৰতীয় সম্প্ৰদায়ৰ  সৈতেও মত বিনিময় কৰিব। এই ভ্ৰমণে  ভাৰত মৰিটেনিয়ানৰ দ্বিপাক্ষিক সম্পৰ্কক অধিক উৎসাহ প্ৰদান কৰিব।

এই ভ্ৰমণৰ তৃতীয় তথা অন্তিম পৰ্যায়ত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে মালৱিৰ ৰাষ্ট্ৰপতি ড০ লাজাৰাচ মেক্‌কাৰথি চাকৱেৰাৰ আমন্ত্ৰণমৰ্মে  ১৭ৰ পৰা ১৯ অক্টোবৰলৈ মালৱি ভ্ৰমণ কৰিব। এই ভ্ৰমণৰ কালছোৱাত ৰাষ্ট্ৰপতি গৰাকীয়ে মালৱিৰ নেতৃবৰ্গৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হব আৰু উদ্যোগ খণ্ডৰ নেতা তথা প্ৰৱাসী ভাৰতীয় সকলৰ সৈতে মত বিনিময় কৰিব।

নতনু দিল্লীত আজি এই বিষয়ে প্ৰকাশ কৰি অৰ্থনৈতিক সম্পৰ্ক বিভাগৰ সচিব ডাম্মু  ৰবিয়ে কয় যে ভাৰতে আফ্ৰিকাৰ সৈতে শক্তিশালী অংশীদাৰিত্বৰ দিশত লক্ষ্য স্থিৰ কৰিছে। তেওঁ কয় যে, যোৱা বছৰ ভাৰতৰ অধ্যক্ষতাত আফ্ৰিকীয় সংঘৰ জি-২০ৰ সদস্যপদ গ্ৰহণ কৰাৰ পাছত ৰাষ্ট্ৰপতিয়ে এই যাত্ৰা কৰি আছে। শ্ৰীৰবিয়ে কয় যে, ৫৪ খন দেশেৰে আফ্ৰিকা গোলকীয় দক্ষিণৰ কেন্দ্ৰ। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গোলকীয় দক্ষিণৰ কাৰ্যসূচী আগবঢ়োৱাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিছে। শ্ৰীৰবিয়ে কয় যে, আফ্ৰিকাৰ সৈতে অংশীদাৰিত্ব আমাৰ দেশৰ লগতে গোলকীয় দক্ষিণৰ উন্নয়নৰ বাবে  অতি গুৰুত্বপূৰ্ণ। তেওঁ কয় যে, ভাৰত আৰু আফ্ৰিকাৰ মাজৰ আৰ্থিক অংশীদাৰিত্ব

বৃদ্ধি হৈছে। শ্ৰীৰবিয়ে লগতে কয় যে দুয়োখন দেশৰ মাজত বছৰি প্ৰায় এশ বিলিয়ন ডলাৰ মূল্যৰ বাণিজ্য হয়। ০০০০

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈৰ পৰা দুদিনীয়া চৰকাৰী ভ্ৰমণসূচীলৈ লাওচৰ ভিয়েনটিয়েনলৈ যাব। নতুন দিল্লীত আজি আয়োজিত এখন সংবাদমেলত বৈদেশিক পৰিক্ৰমা পূৰৰ সচিব জয়দ্বীপ মজুমদাৰে কয় যে এই ভ্ৰমণৰ কালছোৱাত শ্ৰীমোদীয়ে ২১ সংখ্যক আছিয়ান ভাৰত শীৰ্ষ সন্মিলন আৰু ১৯ সংখ্যক পূৰ এছিয়া শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰিব।

শ্ৰীমজুমদাৰে জনাই যে এয়া হ'ব প্ৰধানমন্ত্ৰীৰ এছিয়ান-ভাৰত শীৰ্ষ সন্মিলনত দশম সংখ্যক অংশগ্ৰহণ। তেওঁ কয় যে প্ৰধানমন্ত্ৰী মোদীয়ে লাওচৰ প্ৰধানমন্ত্ৰী চনেক্সে চিফান্দনৰ আমন্ত্ৰণ মৰ্মে ভিয়েনটিয়েন ভ্ৰমণ কৰিব। শ্ৰীমজুমদাৰে লগতে কয় যে, শ্ৰীমোদীৰ লগতে আছিয়ান দেশসমূহৰ চৰকাৰী মুৰববী সকলে ভাৰত আৰু আছিয়ান দেশসমূহৰ মাজৰ সম্পৰ্ক আৰু উন্নয়নৰ বিষয়ে পৰ্যালোচনা কৰিব।

০০০

প্ৰটিনৰ গাথনিৰ পুৰ্বাণুমান  আৰু বিকাশৰ ক্ষেত্ৰত লাভ কৰা উল্লেখযোগ্য সাফল্যৰ বাবে ডেভিদ বেকাৰ, দেমিজ হাচাবীজ আৰু জন জাম্পাৰলৈ ২০২৪ বৰ্ষৰ ৰসায়ন বিজ্ঞানৰ নৱেল বঁটা আগবঢ়োৱা হৈছে।  ৰয়েল চুইদিজ একাডেমী অৱ চায়েন্সে আজি এই বিষয়ে ঘোষণা কৰে। একাডেমীয়ে কৈছে যে, ডেভিদ বেকাৰে সম্পূৰ্ণৰূপে নতুন প্ৰকাৰৰ প্ৰটিন বিকশাই তোলাৰ বিপৰীতে জন জাম্পাৰ, ডেমিজ হাচাবীজে প্ৰটিনৰ জটিল গাঠনিৰ পুৰ্বাণুমানৰ ক্ষেত্ৰত ৫০ বছৰ পুৰণি সমস্যাৰ সমাধান কৰাৰ বাবে কৃত্ৰিম বুদ্ধিমত্তাৰ আৰ্হি  বিকশাই তুলিছে। শ্ৰীবেকাৰ আমেৰিকা যুক্তৰাষ্ট্ৰৰ চিয়াতেলৰ ৱাছিংটন বিশ্ববিদ্যলয়ত কৰ্মৰত। শ্ৰীহাচাবীজ আৰু শ্ৰী জাম্পাৰ লণ্ডনৰ গুগল দীপমাইণ্ড নামৰ কৃত্ৰিম বুদ্ধিমত্তা পৰীক্ষাগাৰত কাম কৰি আছে।

০০০

আসাম ৰাইফলছে সংঘৰ্ষজৰ্জৰ মণিপুৰৰ শিক্ষাৰ্থীসকলৰ মানসিক  স্বাস্থ্যৰ উৎকৰ্ষ সাধন আৰু ৰাজ্যখনৰ যুৱক যুৱতীসকলক মৌলবাদৰ পৰা আঁতৰাই ৰখাৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰি আহিছে। এনে প্ৰচেষ্টাৰ অংশ হিচাপে আসাম ৰাইফলছৰ দ্বাৰা প্ৰশিক্ষণপ্ৰাপ্ত মণিপুৰৰ দুজন শিক্ষাৰ্থীয়ে গুজৰাটৰ ৰাষ্ট্ৰীয় ৰক্ষা বিশ্ববিদ্যালয়ত আয়োজন কৰা বিশ্ব মানসিক স্বাস্থ্য সপ্তাহৰ বিভিন্ন অনুষ্ঠানত অংশগ্ৰহণ কৰিছে।  এই ৫ দিনীয়া অনুষ্ঠানত মানসিক স্বাস্থ্যৰ উৎকৰ্ষ সাধনৰ উদ্দেশ্যে আলোচনা, কৰ্মশালা আৰু পৰামৰ্শ সত্ৰ আদিৰ আয়োজন কৰা হৈছে।

০০০

কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়ে হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ ফলাফল অনাকাংক্ষিত বুলি অভিহিত কৰিছে। তেওঁ এই ফলাফলসমূহৰ বিশ্লেষণ কৰি আছে বুলি নেতাগৰাকীয়ে প্ৰকাশ কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰীগান্ধীয়ে কয় যে  দলৰ নেতৃবৰ্গই কেইবাটাও বিধানসভা সমষ্টিৰ পৰা অভিযোগ লাভ কৰিছে আৰু নিৰ্বাচন আয়োগক এই অভিযোগৰ বিষয়ে অৱগত কৰা হ'ব। শ্ৰীগান্ধীয়ে দলৰ প্ৰতি আগবঢ়োৱা সমৰ্থনৰ বাবে হাৰিয়ানাৰ জনসাধাৰণক ধন্যবাদ জ্ঞাপন কৰে। শ্ৰীগান্ধীয়ে লগতে অক্লান্ত পৰিশ্ৰমৰ বাবে দলীয় কৰ্মীসকলৰো শলাগ লয়। নেতাগৰকীয়ে কয় যে তেওঁ অধিকাৰ, সামাজিক আৰু অৰ্থনৈতিক ন্যায় তথা সত্যৰ হকে সংঘৰ্ষ অব্যাহত ৰাখিব।

০০০

ভাৰতীয় মহিলা দলে কাজাখস্তানত অনুষ্ঠিত এছিয়ান টেবল টেনিচ প্ৰতিযোগিতাত ব্ৰঞ্জৰ পদক লাভ কৰি নতুন ইতিহাস ৰচনা কৰিছে। দলটো আজি চেমিফাইনেলত জাপানৰ হাতত ১-৩ ফলাফলত পৰাজিত হয় যদিও চেমিফাইনেলত প্ৰৱেশ কৰাৰ সুবাদত ব্ৰঞ্জৰ পদক লাভ কৰে। মহিলাৰ দলীয় শিতানত ভাৰতৰ এয়া প্ৰথমটো পদক। ইপিনে, ভাৰতীয় পুৰুষ দলে আজি কাজাখস্তানক ৩-১ ফলাফলত পৰাজিত কৰি চেমিফাইনেলত প্ৰৱেশ কৰে আৰু পদক নিশ্চিত কৰে। দলটো ছেমিফাইনেলত হংকং আৰু চীনা টাইপেয়ীৰ মাজৰ কোৱাৰ্টাৰ ফাইনেল খেলখনৰ বিজয়ী দলটোৰ সন্মুখীন হব।

০০০

ভাৰতে বাংলাদেশৰ বিৰুদ্ধে নতুন দিল্লীত অনুষ্ঠিত তিনিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি আমালৈ বাতৰি অহাৰ পৰলৈকে ২ অভাৰত এটা উইকেট হেৰুৱাই ১৭ ৰাণ কৰি খেলি আছে। বাংলাদেশে টছত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়। সূৰ্যকুমাৰ যাদৱ নেতৃত্বাধীন ভাৰতীয় দলটো শৃংখলাৰ ১-০ ফলাফলত আগবাঢ়ি আছে। ভাৰতে গোৱালিয়ৰত অনুষ্ঠিত প্ৰথমখন খেলত ৭ উইকেটত জয়লাভ কৰিছিল।

০০০

ভাৰত আজি ডুবাইত হ'বলগীয়া মহিলাৰ আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ এৰ নিজৰ তৃতীয়খন খেলত শ্ৰীলংকাৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০

ঃঃ সমাপ্ত ঃঃ